# Prime Minister spoke to His Majesty King Charles III of the UK on telephone

January 03, 2023

# প্ৰধানমন্ত্ৰীয়ে মহামহিম ৰজা তৃতীয় চাৰ্লছৰ সৈতে দূৰভাষৰ মাধ্যমত বাৰ্তালাপ কৰে

**জানুৱাৰী 03, 2023**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দূৰভাষৰ মাধ্যমত বাৰ্তালাপত মিলিত হয় যুক্তৰাজ্যৰ মহামান্য ৰজা তৃতীয় চাৰ্লছৰ সৈতে।

ৰজা তৃতীয় চাৰ্লছ ক্ষমতাধিষ্ঠিত হোৱাৰ পাছৰ পৰা এই প্ৰথম তেওঁৰ সৈতে আলাপ-আলোচনাত মিলিত হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী। ৰজা চাৰ্লছৰ শাসনকাল নানা দিশৰ পৰা সফল হৈ উঠক, এই কামনাও কৰে শ্ৰী নৰেন্দ্ৰ মোদীয়ে।

দুয়োজনৰ মাজত একান্ত আলোচনাত দুয়োখন দেশৰ স্বাৰ্থ-সংশ্লিষ্ট বিভিন্ন বিষয়ৰ ওপৰত মতবিনিময় কৰা হয়। জলবায়ু তথা পৰিৱেশ প্ৰদূষণ ৰোধত প্ৰয়োজনীয় পদক্ষেপ, জৈৱবৈচিত্ৰ্য সংৰক্ষণ, শক্তিৰ ৰূপান্তৰ প্ৰচেষ্টাত বিনিয়োগ সমস্যাৰ সমাধানত উদ্ভাৱনক কামত লগোৱাকে ধৰি বিভিন্ন বিষয় উত্থাপিত হয় তেওঁলোকৰ আলোচনাৰ পৰিসৰত।

ভাৰতৰ জি-২০ৰ সভাপতিত্বকালত চিহ্নিত অগ্ৰাধিকাৰৰ বিষয়সমূহ সম্পৰ্কে ৰজা চাৰ্লছক অৱগত কৰে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে। তেওঁ জনায় যে ডিজিটেল পদ্ধতিৰ প্ৰসাৰৰ বিষয়টোত বিশেষভাৱে গুৰুত্ব দিয়া হ'ব। ইয়াৰ উপৰিও, 'মিছন এলআইএফই'ৰ প্ৰাসঙ্গিকতাৰ বিষয়টোও শ্ৰী মোদীয়ে ব্যাখ্যা কৰে ৰজা চাৰ্লছৰ আগত। এই মিছনৰ আওতাত পৰিৱেশ অনুকূল জীৱনশৈলীক নিৰন্তৰ কৰি তোলাৰ লক্ষ্যত ভাৰতৰ বিশেষ প্ৰচেষ্টাৰ কথাও তুলি ধৰে তেওঁ।

কমনৱেলথভুক্ত দেশসমূহৰ প্ৰাসঙ্গিক বিষয়সমূহেও স্থান পায় দুয়োজনৰ আলোচনাৰ মাজত। এই গোষ্ঠীক কেনেদৰে অধিক শক্তিশালী কৰি তোলা যায় সেই সম্পৰ্কেও চিন্তাভাবনা কৰে তেওঁলোকে। যুক্তৰাজ্যত ভাৰতীয় বংশোদ্ভূত পৰিয়ালসমূহে যে দুয়োদেশৰ মাজত এক প্ৰাণৱন্ত সম্পৰ্ক তথা বন্ধন গঢ়ি তুলিছে, এই বিষয়টো তেওঁলোক উভয়েই স্বীকাৰ কৰে। কেৱল সেয়াই নহয়, দ্বিপাক্ষিক সম্পৰ্কক অধিক সমৃদ্ধ কৰি তোলাৰ ক্ষেত্ৰত ভাৰতীয় বংশোদ্ভূতসকলে যে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি গৈছে, এই বিষয়েও তেওঁলোকে সহমত প্ৰকাশ কৰে।

**নতুন দিল্লী**

**জানুৱাৰী 03, 2023**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.